যৌথ প্রেছ বিজ্ঞপ্তি: ভাৰত-কানাডা এনএছএ পর্যায়ৰ নিৰাপত্তা বার্তালাপ (06 অক্টোবৰ, 2026)

ৰাষ্ট্রীয় নিৰাপত্তা উপদেষ্টা শ্রী অজিত ডোভালৰ নিমন্ত্রণমর্মে, কানাডাৰ প্রধানমন্ত্রীৰ জ্যেষ্ঠ কূটনৈতিক আৰু আন্তঃৰাষ্ট্রীয় পৰিক্রমা উপদেষ্টা শ্রী ডেভিদ মৰিছনে 05-07 অক্টোবৰ 2026-লৈ ভাৰত ভ্রমণ কৰে।

2. নতুন দিল্লীত অনুষ্ঠিত এই বৈঠক এনএছএ পর্যায়ৰ চলি থকা দ্বিপাক্ষিক নিৰাপত্তা বার্তালাপৰ অংশ হিচাপে অনুষ্ঠিত হয়। এই বিন্যাসত পূর্বৰ বার্তালাপসমূহ 2025 চনৰ ছেপ্টেম্বৰত নতুন দিল্লীত আৰু 2026 চনৰ ফেব্রুৱাৰীত অটৱাত অনুষ্ঠিত হৈছিল।

3. উভয় পক্ষই 2026 চনৰ মার্চ মাহত নতুন দিল্লীত আৰু 2026 চনৰ জুন মাহত এভিয়াঁত অনুষ্ঠিত জি7 সন্মিলনৰ মূল কার্যসূচীৰ আঁৰত হোৱা বৈঠকত নিজ নিজ প্রধানমন্ত্রীসকলে প্রদান কৰা দিগদর্শনক স্বীকাৰ কৰে।

4. পৰস্পৰৰ প্রতি বিশ্বাস, ইজনে সিজনৰ উদ্বেগ আৰু সংবেদনশীলতাৰ প্রতি শ্রদ্ধা, আৰু দ্বিপাক্ষিক সম্পর্ক শক্তিশালী কৰাৰ যৌথ প্রতিশ্রুতিৰে চালিত হৈ যোৱা এটা বছৰত অব্যাহত থকা গঠনমূলক দ্বিপাক্ষিক যোগাযোগৰ বাবে উভয় পক্ষই সন্তোষ প্রকাশ কৰে। তেওঁলোকে এক ব্যাপক অর্থনৈতিক অংশগ্রহণ চুক্তি (চিইপিএ) -ৰ বাবে আলোচনা আগবঢ়াই নিয়াৰ প্রচেষ্টাক আদৰণি জনায়। ইয়াৰ উপৰিও তেওঁলোকে নেতৃত্বৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি এক গুৰুত্বপূর্ণ দ্বিপাক্ষিক প্রতিৰক্ষা সম্পর্ক আগবঢ়াই নিয়াৰ ক্রমবর্ধমান সম্ভাৱনা সম্পর্কে আলোচনা কৰে।

5. বৈঠকৰ সময়ছোৱাত উভয় পক্ষই 2026 চনৰ ফেব্রুৱাৰীত চূড়ান্ত কৰা যৌথ নিৰাপত্তা কার্যসূচীৰ ৰূপায়ণকে ধৰি দ্বিপাক্ষিক নিৰাপত্তা আৰু আইন প্রয়োগকাৰী সহযোগিতাৰ অগ্রগতিৰ পর্যালোচনা কৰে।

6. তেওঁলোকে আন্তঃৰাষ্ট্রীয় সংগঠিত অপৰাধ, সন্ত্রাসবাদ আৰু হিংসাত্মক চৰমপন্থা, মানৱ আৰু ড্রাগছ সৰবৰাহ, চাইবাৰ অপৰাধ, জবৰদস্তি ধন আদায়, আৰু অপৰাধীক প্রত্যর্পণৰ বিৰুদ্ধে যুঁজ দিয়াত সমন্বয় আৰু সহযোগিতা গভীৰ কৰিবলৈ সন্মতি প্রকাশ কৰে।

7. উভয় পক্ষই পাৰস্পৰিক স্বার্থজড়িত বিষয়সমূহত সুচল যোগাযোগ আৰু সময়োপযোগী তথ্য আদান-প্রদান সুগম কৰি তুলিবলৈ প্রয়োজন অনুসৰি বর্তমানৰ প্রাতিষ্ঠানিক প্রক্রিয়াসমূহ শক্তিশালী কৰিবলৈ আৰু নতুন মাধ্যম স্থাপন কৰিবলৈ সন্মত হয়।

8. উভয় পক্ষই আঞ্চলিক আৰু বিশ্বজনীন বিকাশসমূহৰ ওপৰতো মতামত বিনিময় কৰে।

নতুন দিল্লী

অক্টোবৰ 07, 2026